ASSEB -DIV-II / Golaghat /H.S 1st Year/Final

*Total No. of printed pages -4*

Code : MASS

# 2026

# Assamese

**(Modern Indian Language)**

*Full Marks : 100*
*Pass Marks : 30*

*Time : 3 Hours*

*The figures in the margin indicate full marks for the questions.*

**ALLOTMENT OF MARKS.**

| | |
|---|---|
| Q.No.1 Carries I mark. | 1x 6 =6 |
| Q.No.2 Carries 2 marks | 2x5=10 |
| Q.No.3 Carries 4 marks | 4x3=12 |
| Q.No.4 Carries 6marks | 6x2=12 |
| Q.No.5 Carries I mark | 1 |
| Q.No.6 Carries 2 marks | 2 |
| Q.No. 7 Carries 4 marks | 4 |
| Q.No.8 Carries I mark | 1x3=3 |
| Q.No.9 Carries 2 marks | 2x4=8 |
| Q.No.10 Carries 4 marks | 4x2=8 |
| Q.No.11 Carries 6 marks | 6 |
| Q.No. 12 Carries 1 mark | 1x2=2 |
| Q.No.13 Carries 2marks | 2 |
| Q.No. 14 Carries 4 marks | 4x2=8 |
| Q.No. 15 Carries 6 marks | 6 |
| Q.No.16 Carries 4 marks | 4 |
| Q.No.17 Carries I mark | 1x2=2 |
| Q.No.18 Carries 2 marks | 2x2=4 |
| | Total = 100 |

Contd...

১। তলৰ যিকোনো ছটা প্ৰশ্নৰ উত্তৰ লিখাঁ। ১x৬ =৬

ক) কোন প্ৰকাৰৰ খৰচ গুপ্ত শত্ৰুৰ নিচিনা?

খ) পদ্মনাথ গোহাঞিবৰুৱাৰ তত্ত্বমূলক গ্ৰন্থখনৰ নাম কি?

গ) হোমাৰ কোন দেশৰ কবি?

ঘ) গুৰুৰ স্থান আজিৰ যুগত কিহে কাঢ়ি লৈছে?

ঙ) এডৱাৰ্ড গিবনে ৰচনা কৰা প্ৰখ্যাত গ্ৰন্থ এখনৰ নাম লিখাঁ।

চ) ড° হীৰেন গোহাঁয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

ছ) কনুৱা চৰাইৰ প্ৰিয় খাদ্য কি?

জ) হিমানী সম্প্ৰপাত কি?

২। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখাঁ। ২x৫ =১০

ক) কি দুটা কাৰণত মানুহে কৃপণালি কৰে?

খ) "সূতা ঘৰত কটা নহয়, দোকানৰ পৰা কিনি আনি ঘৰত বোৱা কাপোৰহে" — কথাষাৰ কোনে, কাক কৈছিল?

গ) জুলিয়াছ ছিজাৰ কোন? তেওঁক কোনে হত্যা কৰিছিল?

ঘ) কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ অধীনত থকা দুখন কলেজৰ নাম লিখাঁ।

ঙ) কোনে কিমান টকাত ৰংঘৰটো বিক্ৰী কৰিছিল?

চ) এভাৰেষ্ট আৰোহণকাৰী প্ৰথম অসমীয়া দুজন কোন কোন?

৩। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা (৪০ৰ পৰা ৬০টা শব্দৰ ভিতৰত) ৪x৩ =১২

ক) অশিক্ষিত মানুহে ধন খৰচ কৰা কৌশল সম্পৰ্কে কেনে ধাৰণা কৰে লিখাঁ।

খ) গান্ধীজীৰ প্ৰথম অসম ভ্ৰমণ সম্পৰ্কে এটি টোকা লিখাঁ।

গ) "প্ৰকৃত গৌৰৱৰ কাৰণ জ্ঞান, আত্মসংযম আৰু আত্মদানৰ পৰা ওলায়" — কথাষাৰ বহলাই আলোচনা কৰা।

ঘ) "কিছুমান কিতাপে ৰাইজৰ ওপৰত অদ্ভুত প্ৰভাৱ পেলায়" — পাঠটোৰ সহায়ত বুজাই লিখা।

ঙ) শেনমেলাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

৪। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ। (১০০ৰ পৰা ১২০টা শব্দৰ ভিতৰত) ৬x২ =১২

ক) এডৱাৰ্ড গিবনৰ চমু পৰিচয় দিয়া।

খ) কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ শৈক্ষিক ব্যৱস্থাপনা তথা পাঠদান কেনেকুৱা আছিল, পাঠটোৰ আধাৰত চমুকৈ আলোচনা কৰা।

গ) 'এভাৰেষ্টৰ সপোন আৰু বিভীষিকা' পাঠটোৰ মূল কথাখিনি চমুকৈ লিখা।

৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। ১

ক) বিয়াৰ প্ৰেজেণ্ট' চুটিগল্পটো ক'ৰ পৰা লোৱা হৈছে?

খ) 'বিয়াৰ প্ৰেজেণ্ট' শীৰ্ষক গল্পত বিয়া খাবলৈ বুলি ঘৰৰ পৰা ওলাই যোৱা মহিলাগৰাকীৰ নাম কি?

৬। (ক) চৈয়দ আব্দুল মালিকে ৰচনা কৰা দুখন উপন্যাসৰ নাম লিখাঁ। ২

অথবা

(খ) বিনীতা কোন? বিনীতাৰ অপাৰেচনৰ বাবে ক'ৰ পৰা টকা পালে?

৭। (ক) 'বিয়াৰ প্ৰেজেণ্ট' গল্পটোত মানৱতাবোধৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰা। ৪

অথবা

(খ) "অৱশেষত এটা উপায় উলিওৱা হ'ল" — কোনে, কি সমস্যাৰ বাবে, কি উপায় বিচাৰি পালে?

৮। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ। ১×৩ =৩

ক) নৈকেযী কোন?

খ) 'জলনিধি' শব্দৰ অৰ্থ কি?

(গ) 'ধনবৰ আৰু ৰতনী' কবিতাৰ কবি কোন?

ঘ) 'বনকুঁৱৰী' কবিতাটো প্ৰথমে ক'ত প্ৰকাশ পাইছিল?

ঙ) নচিকেতা কাৰ ছদ্মনাম?

৯। তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ। ২×৪ =৮

ক) বৰগীতৰ দুটা বৈশিষ্ট্য লিখাঁ।

খ) মালিতা কি? মালিতাক ইংৰাজীত কি বুলি জনা যায়?

গ) দেৱকান্ত বৰুৱাক কি কবি বুলি জনা যায়? তেখেতৰ কবিতাপুথিখনৰ নাম কি?

ঘ) অসমীয়া সাহিত্যত প্ৰগতিবাদী কবি ৰূপে পৰিচিত দুজন কবিৰ নাম লিখাঁ।

ঙ) শব্দাৰ্থ লিখাঁ — মোক্ষ, শ্ৰান্তি

১০। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা। (যিকোনো দুছোৱাৰ) ৪×২ =৮

ক) "উজায়ে আহিলে ভাটিৰে ৰতনী,
বুকুৰে মাধুৰী লৈ,
ভটিয়াই গ'লে ঐ শাহটো সামৰি,
মোলৈ খোলাটো থৈ।"

(খ) "মন্ত্ৰিত্ব যাৰ শেষ কল্পনা, এছেমব্লী যাৰ আশা,
সিনো কি বুজিব হে বীৰ! তোমাৰ ৰণ দুৰ্মদ ভাষা?"

গ) "এইখন এখন মহাকাব্য, পৰ্বতৰ মৌন ভাষাই
লিখি যোৱা তেজৰ বুৰঞ্জী।"

১১। তলৰ যিকোনো এটা কবিতাৰ মূলভাৱ লিখাঁ। ৬

ক) ধনবৰ আৰু ৰতনী

খ) ৰাজপথ

গ) এখন চিঠি

১২। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ। ১×২=২

ক) কুশল কোঁৱৰ কাৰ আজো নাতি?

খ) কণপাহি কোন?

গ) 'কুশল কোঁৱৰ' নাটকৰ নাট্যকাৰ কোন?

১৩। "চাকৰি কৰিও জানো দেশৰ কাম কৰিব নোৱাৰি" — কথাষাৰ কোনে, কাৰ আগত কৈছিল? ২

১৪। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ। (৪০ৰ পৰা ৬০টা শব্দৰ ভিতৰত) ৪×২=৮

ক) কুশল কোঁৱৰক ফাঁচী দিয়াৰ কাৰণ কি আছিল, চমুকৈ লিখাঁ।

খ) কুশল কোঁৱৰ নাটকৰ নাৰী চৰিত্ৰসমূহৰ বিষয়ে লিখাঁ।

গ) কুশল কোঁৱৰে স্কুল এৰাত দেউতাকৰ কিয় খং উঠিছিল?

ঘ) কুশল কোঁৱৰে জীৱনৰ বিদায় পৰত দেশৰ বাবে কি বাণী আগবঢ়াইছিল?

১৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ। (১০০ৰ পৰা ১২০টা শব্দৰ ভিতৰত) ৬

ক) কুশল কোঁৱৰৰ বংশ পৰিচয় সম্পৰ্কে এটি চমু আভাস দিয়া।

খ) 'কুশল কোঁৱৰ' নাটকৰ যিকোনো এটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱা।

১৬। ভাব সম্প্ৰসাৰণ কৰাঁ। (যিকোনো এটা) ৪

ক) যি মূলা বাঢ়ে, তাৰ দুপাততে চিন।

খ) টেঙা আম এবাৰহে বেচিব পাৰি।

১৭। তলৰ যিকোনো দুযোৰ সমোচ্চাৰিত শব্দৰ অৰ্থ লিখা। ১x২=২

আঁচল, আচল

বাট, বাত

গঁড়, গড়

শৰ, সৰ

১৮। (ক) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ ক'ত ক'ত নহয়? ২

(খ) 'ৱ' আৰু 'য়'ক কিয় অৰ্ধব্যঞ্জন বোলা হয়? 'ৱ' আৰু 'য়' শব্দৰ আদিত ব্যৱহাৰ হয়নে? ২

-ःःःःःः-